# অৱহেলিত লোকবিলাককৈ মিশ্যনেৰী পঠোৱা


লৰা-ছোৱালীক শিকোৱা সকলে S2b অধ্যয়ন পঢ়া উচিত

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, আপোনাৰ মহান আজ্ঞা পালন কৰিবলৈ আৰু খ্ৰীষ্টত পৰিত্ৰাণৰ শুভবাৰ্তা নোপোৱা লোকলৈ কৰ্ম্মী পঠিয়াবলৈ আমাক সহায় কৰক।"

**১। অৱহেলিত হৈ থকা ঠাইত খ্ৰীষ্টৰ নিমিত্তে এক জাগৰণ আৰম্ভ কৰাৰ যুগুত কৰক, য'ত নতুন লোকবিলাক বাঢ়িব।**

**টোকা ঃ** যিৰূচালেম, যাফো, আন্তিয়খিয়া, ৰোম, ইফিচ, কলচীয়া আৰু নতুন নিয়মৰ আন চহৰ বিলাকলৈ শিষ্য কৰিবলৈ কৰ্ম্মীসকলক পঠিয়াওক।

**পাঁচনিৰ কৰ্ম্ম ১:৮** পদত চাওক, তেওঁৰ সাক্ষী হ'বলৈ শিষ্যবিলাকক চাৰিখন ঠাইলৈ যীচুৱে যাবলৈ কোৱা, (উত্তৰঃ **যিৰূচালেম** (আপোনাৰ নিজৰ সমাজ, সংস্কৃতি আৰু ভাষা অনুযায়ী), **যিহূদীয়া** (ওচৰতে থকা একে সংস্কৃতিৰ অৱহেলিত সমাজ অনুযায়ী), **চমৰিয়া** (ওচৰতে থকা অন্য সংস্কৃতিৰ দলবোৰ অনুযায়ী), **পৃথিৱীৰ** অন্তলৈকে (আঁতৰত থকা অতি পৃথক সংস্কৃতিৰ গোটবোৰ)।



পাঁচনিৰ **কৰ্ম্ম ১৩:১-৩** পদত চাওক, পৌল আৰু বাৰ্নববাক পঠিয়াবলৈ আন্তিয়খিয়াৰ মণ্ডলীয়ে কি কৰিছিল।

**পাঁচনিৰ কৰ্ম্ম ১৩ আৰু ১৪** অধ্যায় পঢ়ক আৰু নতুন মণ্ডলী আৰম্ভ কৰিবলৈ পৌল আৰু বাৰ্নববাই কি কৰিছিল, তাৰ সৱিশেষ লিখক।

**পাঁচনিৰ কৰ্ম্ম ১৪:২৬-২৮** পদত চাওক, পৌল আৰু বাৰ্নববাই তেওঁলোকক পঠোৱা মণ্ডলীলৈ উলটি আহি কি কৰিলে।

**লূক ২৪:৪৬-৪৮** পদত চাওক, প্ৰচাৰ কাৰ্য্য কৰিলে, আমি কি কি ঘোষণা কৰিব লাগে। আপুনি পঠোৱা কৰ্মচাৰীসকলক বিশেষ কিছুমান অৰ্হতাৰ প্ৰয়োজন যিবোৰ তলত উল্লেখ কৰা হ'ল ঃ

## চাৰিটা কৌশল মিশ্যনেৰীসকলে শিকা উচিত

**কৌশল ১**। আন সংস্কৃতি বুজিবলৈ শিকা।

- আপোনাৰ ঘৰুৱা মণ্ডলীয়ে কৰাৰ দৰে নতুন বিশ্বাসীসকলে উপাসনা আৰু শুভবাৰ্তা প্ৰচাৰ কৰাত জোৰ নিদিব।
- সংস্কৃতিৰ ভিন্নতাক মৰ্যাদা দিব। খ্ৰীষ্টৰ আৰু তেওঁৰ পাঁচনিবিলাকৰ আজ্ঞা পালন কৰাৰ বাহিৰে নতুন বিশ্বাসীসকলৰ পৰা কোনো দাবি নকৰিব।
- কৰ্ম্মচাৰীসকলে আন ভাষা শিকিব লগাত পৰে।
- এনে নীতি/শৃঙ্খলা ব্যৱহাৰ কৰক যি নতুন বিশ্বাসীসকলে অনুকৰণ কৰিব আৰু আনলৈ দিব পাৰে।
- নতুন কৰ্ম্মীসকলে পাব পৰা সজুঁলি নতুন মণ্ডলীত কেৱল ব্যৱহাৰ কৰক।
- থলুৱা লোকৰ লগত বান্ধ খাওক। প্ৰেম কৰক। তেওঁলোকৰ লগত বন্ধুত্ব কৰক।

**কৌশল ২**। শুভবাৰ্তা প্ৰচাৰ এনেদৰে কৰক যেন শুভবাৰ্তা এটা পৰিয়ালৰ পৰা আন পৰিয়াললৈ আৰু এজন বন্ধুৰ পৰা আন এজন বন্ধুলৈ উপচি পৰে। যীচুৰ মৃত্যু আৰু পুনৰুত্থানৰ বিষয়ে এনেদৰে কওক যেন নতুন বিশ্বাসীসকলে সেইদৰে তেওঁলোকৰ বন্ধুবৰ্গক ক'ব পাৰে। নতুন বিশ্বাসীসকলৰ বাবে ব্যৱহাৰ কৰাত কঠিন নীতি অথবা সজুঁলি ব্যৱহাৰ নকৰিব (কেৱল কোনো বিশেষ ঘটনাৰ বাদে)।

**কৌশল ৩**। যীচুৰ আজ্ঞা পালন কৰিবলৈ শিক্ষা দি নতুন বিশ্বাসীসকলৰ শিষ্য কৰক। তেওঁৰ মূল আজ্ঞা আছিল, মন পালটন আৰু বিশ্বাস, বাপ্তিষ্ম, প্ৰভু-ভোজ পালন কৰা, কাৰ্যত দেখুৱাই ঈশ্বৰ আৰু আন লোকক প্ৰেম কৰা, প্ৰাৰ্থনা কৰা, দিয়া আৰু শিষ্য কৰা।

**কৌশল ৪**। নতুন নিয়মত বিচৰা মতে নতুন মণ্ডলীয়ে বৃদ্ধি পাবলৈ কামবিলাক শিকা ঃ

- আনক যীচুৰ কথা কোৱা, আৰু অনুতাপি বিশ্বাসীসকলক বাপ্তিষ্ম দিয়া, লূক ২৪:৪৬-৪৮, পাঁচনিৰ কৰ্ম্ম ২:৩৮
- যীচুৰ আজ্ঞা পালন কৰিবলৈ নতুন শিষ্যবিলাকক শিকোৱা, মথি ২৮:১৮-২০
- এক শৰীৰ ৰূপে আৰাধনা কৰা, আৰু প্ৰভু ভোজ পালন কৰা, মথি ২৬:১৬-২৮
- প্ৰাৰ্থনা কৰক, মধ্যস্থ হৈ কাৰ্য্য কৰা আৰু আত্মিক যুদ্ধ কৰা; পৰিয়ালক একেলগে প্ৰাৰ্থনা কৰিবলৈ দিয়ক, ইফিচীয়া ৬:১০-১৮
- প্ৰেমৰ সহভাগিতা বঢ়োৱা আৰু প্ৰয়োজনত থকাসকলৰ পৰিচৰ্য্যা কৰা, যোহন ১৩:৩৪
- দিয়া আৰু খ্ৰীষ্টিয়ান ঘৰগিৰী অভ্যাস কৰা, লূক ৬:৩৮
- পৰস্পৰে আৰু তেওঁলোকৰ সমাজৰ পৰিচৰ্য্যা কৰিবলৈ বিশ্বাসীসকলক শিকোৱা, ইফিচীয়া ৪:১১
- পাৰিবাৰিক জীৱন মজবুত কৰা, সমস্যাত সহায় কৰা, আৰু দোষীক শুধৰোৱা ২ তীমথিয় ৩:১৬-১৭
- বিশ্বাসীসকলে বিভিন্ন আত্মিক বৰেৰে পৰস্পৰৰ পৰিচৰ্য্যা কৰাৰ ব্যৱস্থা কৰা, ১ কৰিন্থীয়া ১২
- ওচৰে-পাজৰে আৰু অৱহেলিত লোকৰ মাজত মণ্ডলী আৰু গোটবোৰ আৰম্ভ কৰা, পাঁচনিৰ কৰ্ম্ম ১:৮
- এনেদৰে চলাওঁতাসকলক প্ৰশিক্ষন দিয়ক যেন তেওঁলোকে নতুন চলাওঁতাক প্ৰশিক্ষণ দিওঁতে সেইবোৰ অনুকৰণ কৰিব পাৰে, ২ তামথিয় ২:২

২। **অৱহেলিত মানুহবিলাকৰ গোটলৈ কাম কৰাসকলক পঠিয়াবলৈ সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

এই গুৰুত্বপূৰ্ণ কামবোৰ কৰিবলৈ কেইবাসপ্তাহো লাগিব পাৰে।

- কোনটো গোটক পুনৰ উদ্ভৱ কৰিব পৰা মণ্ডলীৰ প্ৰয়োজন, যলৈ আপোনাৰ কৰ্ম্মী যাব পাৰে, জানি লওক।
- আপোনাৰ মণ্ডলীয়ে যাবলৈ বাচি লোৱা অৱহেলিত লোকৰ বাবে প্ৰাৰ্থনা কৰক।
- অৱহেলিত লোকলৈ যাব খোজা বিশ্বাসীসকলক লগ ধৰক, আৰু তেওঁলোকক প্ৰস্তুত কৰা আৰম্ভ কৰক। তেওঁলোকক প্ৰয়োজনীয় কৌশল অভ্যাস কৰাত তৎক্ষণাৎ সহায় কৰক। (সেইবোৰ ওপৰৰ তালিকাত দিয়া আছে)
- অৱহেলিত পথাৰলৈ কৰ্ম্মী পঠাব খোজা বিশ্বাসীসকলক লগ ধৰক, আৰু তেওঁলোকে প্ৰস্তুত কৰাত আৰু কৰ্মী পঠোৱাত সহায় কৰক।
- কৰ্ম্মীসকলক কিদৰে ভৰন-পোষন কৰা হয় সিদ্ধান্ত লওক। তেওঁলোকে আপোনাৰ অথবা অন্য মণ্ডলীৰ সহায় পাব? অথবা তেওঁলোকে নতুন নিয়মত উল্লেখ কৰা আক্কিলা, প্ৰিস্কিলা, পৌল আৰু আনসকলৰ দৰে নিজকে সহায় কৰিব? সেইদৰে আঁচনি কৰক।
- আপোনাৰ মণ্ডলীৰ মিশ্যনেৰীসকল আৰু তেওঁলোক যাব খোজা আঁচনিৰ বাবে সপ্তাহিক প্ৰাৰ্থনাৰ ব্যৱস্থা কৰক।
- মণ্ডলীৰ মিশ্যনেৰী কাৰ্য্যৰ বৃদ্ধি আৰু সমস্যাবোৰৰ বিষয়ে নিয়মীয়াকৈ ৰিৰ্পোট দিয়াৰ ব্যৱস্থা কৰক।
- আন গোটৰ পালকসকলক তেওঁলোকৰ মণ্ডলীৰ পৰা অৱহেলিত লোকসকললৈ কৰ্ম্মী পঠিয়াবলৈ সহায় কৰক।
- আপোনাৰ অঞ্চলৰ আন মণ্ডলীৰ লগত কৰ্ম্মী পঠিয়াবলৈ সহযোগ কৰাৰ ব্যৱস্থা কৰক।

৩। **পিছৰ উপাসনাৰ নিমিত্তে সহকৰ্মীসকলৰ লগত যুগুত হওক।**

**বৰ্ণনা কৰক,** কেনেকৈ আন্তিয়খিয়াৰ বিশ্বাসীসকলে পৌল আৰু বাৰ্নবৰাক পঠিয়াইছিল, আৰু তেওঁলোকে কেনেকৈ শিষ্য কৰিলে।

**বৰ্ণনা কৰক,** আপোনাৰ মণ্ডলীৰ প্ৰস্তুতি আৰু কৰ্ম্মী পঠোৱাৰ আঁচনি।

**পৰ্য্যালোচনা কৰক,** যি কৌশল পঠোৱা কৰ্ম্মীসকলৰ হোৱা প্ৰয়োজন।

অন্য ঠাইত মিশ্যনেৰী কাম কৰাসকলক সেই বিষয়ে ক'বলৈ দিয়ক।

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা পৰিৱেশন কৰিবলৈ দিয়ক।

**প্ৰভু ভোজৰ** আগেয়ে, যিৰিমিয়া ৩১:৩১-৩৪ পদ পঢ়ক। বৰ্ণনা কৰক যে যীচুৰ তেজৰ ওপৰত ভিত্তি কৰি ভাববাদীয়ে ভৱিষ্যৎ বাণী কোৱা এক নতুন চুক্তি যি আমি পিঠা ভাঙি আয়োজন কৰোঁ।

কৰ্ম্মচাৰী পঠিয়াবলৈ প্ৰাৰ্থনা আৰু আঁচনি কৰিবলৈ দুই বা তিনিজনীয়া **গোট** গঠন কৰক।

একেলগে **মুখস্থ কৰক** মথি ২৮ঃ১৯-২০ পদ।

### অৱহেলিত মানুহৰ গোটবোৰ

এনে অনেক গোষ্ঠী, সমাজ চহৰ আৰু ওচৰ-চুবুৰীয়াবোৰ আছে, য'ত যথেষ্ট সংখ্যক খ্ৰীষ্টিয়ান আৰু মণ্ডলীবোৰ নাই যিসকলে তেওঁলোকৰ জনসংখ্যাৰ মাজলৈ যীচুৰ বিষয়ে শুভবাৰ্তা নিব পাৰে। তাত থকা কেইগৰাকীমান বিশ্বাসীয়ে সেয়ে তেওঁলোকক শুভবাৰ্তা ক'বলৈ আৰু নতুন পুনৰ বৃদ্ধি কৰিব পৰা মণ্ডলী কৰাত সহায় কৰিবলৈ প্ৰভুক আপোনাৰ দৰে লোকক পঠিয়াবলৈ কওক।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.